**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 26-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। সংসদ ভৱনত কালি বিয়লি পশ্চিম এছিয়াৰ সংঘাত বিষয়ত চৰকাৰে আহ্বান জনোৱা সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়।

২। কেন্দ্ৰীয় মন্ত্ৰীসভাই ১০ বছৰৰ বাবে ম'ডিফাইড উড়ান শীৰ্ষক আঞ্চলিক যোগাযোগ আঁচনিৰ মুকলি আৰু ৰূপায়ণত অনুমোদন দিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাম নৱমীৰ প্ৰাকক্ষণত জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। আফগানিস্তান-পাকিস্তান সীমান্তত অস্থায়ী সংঘৰ্ষ বিৰতিৰ ম্যাদ উকলি যোৱাৰ পাছত পুনৰ সংঘৰ্ষ আৰম্ভ হোৱাৰ বাতৰি আহিছে। *আৰু*

৫। ভাৰতৰ পুৰুষ দলটোৱে আজি মালেত পাকিস্তানৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে ছাফ আণ্ডাৰ টুৱেণ্টি চেম্পিয়নশ্বিপ ফুটবল প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিব।

০০০০০

সংসদ ভৱনত কালি বিয়লি পশ্চিম এছিয়াৰ সংঘাত বিষয়ত চৰকাৰে আহ্বান জনোৱা সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সৰ্বদলীয় বৈঠকখনত সভাপতিত্ব কৰে। বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু উপস্থিত থাকে। জনতা দল ইউনাইটেডৰ কাৰ্যকৰী সভাপতি সঞ্জয় ঝা আৰু ৰাজীৱ ৰঞ্জন সিং, কংগ্ৰেছ দলৰ নেতা মুকুল ৱাছনিক আৰু তাৰিক আনোৱাৰ, চি পি আই এমৰ সাংসদ জন ব্ৰিট্টাছ, সমাজবাদী পাৰ্টীৰ ধৰ্মেন্দ্ৰ যাদৱৰ লগতে অন্যান্য বিৰোধী দলসমূহৰ নেতাসকলো বৈঠকখনত উপস্থিত থাকে। পশ্চিম এছিয়া সংঘাতৰ বাবে অঞ্চলটোত বৃদ্ধি পোৱা তীব্ৰ উত্তেজনা আৰু সামুদ্ৰিক পথত চলাচল ব্যাহত হোৱাৰ পৰিপ্ৰেক্ষিতত এই বৈঠক অনুষ্ঠিত হয়। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদীয়ে পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত সংসদক সম্বোধন কৰাৰ পাছতেই হোৱা এই সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ইৰান-ইজৰাইল-আমেৰিকাৰ সংঘাতৰ প্ৰভাৱ কম কৰাৰ বাবে চৰকাৰে ইন্ধন আৰু সাৰৰ যোগান ব্যৱস্থাৰ কৌশল নিৰূপণ কৰিবৰ বাবে সাতটা ক্ষমতাশালী গোট গঠন কৰিছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ১০বছৰৰ বাবে - Modified UDAN শীৰ্ষক আঞ্চলিক যোগাযোগ আঁচনিৰ মুকলি আৰু ৰূপায়নত অনুমোদন দিছে। এই আঁচনিৰ বাবে মুঠ। ২৮ হাজাৰ ৮৪০ কোটি টকা ব্যয় কৰা হ'ব। মন্ত্ৰীসভাৰ সিদ্ধান্ত সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী আশ্বিনী বৈষ্ণৱে কয় যে, আঞ্চলিক যোগাযোগ উন্নীত কৰাৰ উদ্দেশ্যে

কাৰ্যকৰী হৈ নথকা ১০৯টা বিমানবন্দৰ উন্নীত কৰা হ'ব। ইয়াৰ জৰিয়তে অঞ্চল সমূহৰ অৰ্থনৈতিক আৰু পৰ্যটনৰ বিকাশ হোৱাৰ লগতে সাধাৰণ নাগৰিকৰ বাবে বিমান যাতায়াত সহজলভ্য হৈ উঠিব বুলি আশা কৰা হৈছে।

শ্ৰী বৈষ্ণৱে কয় যে, মন্ত্ৰীসভাই লগতে অহা পহিলা এপ্ৰিলৰ পৰা ২০৩১ চনৰ মাৰ্চ পৰ্যন্ত ১৮ শ কোটি টকা ব্যয় সাপেক্ষ অনুপ্ৰৱেশ, ভিচা, বিদেশী লোকৰ পঞ্জীয়ন আৰু ট্ৰেকিং চমুকৈ IVFRT আঁচনিৰ সম্প্ৰসাৰণটো অনুমোদন জনাইছে। এই IVFRT আঁচনিৰ মূল উদ্দেশ্য হৈছে সুৰক্ষিত আৰু সংহত সেৱাপ্ৰদান পৰিকাঠামোৰ ভিতৰত অনুপ্ৰৱেশ আৰু ভিছা সেৱাৰ উন্নীতকৰণ আৰু আধুনিকীকৰণ।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাম নৱমীৰ প্ৰাকক্ষণত জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। নিজৰ বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভগৱান শ্ৰীৰামৰ মহাকাব্যিক জীৱনে আমাক এটা অৰ্থপূৰ্ণ জীৱনৰ বাবে সত্য আৰু ন্যায়ৰ পথ অনুসৰণ কৰিবলৈ শিকাই গৈছে। প্ৰভু শ্ৰীৰামৰ জীৱনে আমাক সমাজৰ প্ৰতি থকা কৰ্তব্য পালন কৰিবলৈ প্ৰেৰণা যোগায় বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে তেওঁৰ জীৱনাদৰ্শ আমাৰ সংস্কৃতিৰ ভেটিস্বৰূপ আৰু ইয়াৰ জৰিয়তে আমি জীয়াই থাকিবলৈ চেষ্টা কৰা উচিত।

ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে দেশৰ নাগৰিকসকলক ভগৱান শ্ৰীৰামৰ জীৱনৰ লেখীয়া মহান গাঁথাসমূহৰ পৰা শিক্ষা গ্ৰহণ কৰিবলৈ আৰু কথা, চিন্তা তথা কাৰ্যৰে ৰাষ্ট্ৰৰ প্ৰতি সেৱা আগবঢ়োৱাৰ অৰ্থে অংগীকাৰবদ্ধ হ'বলৈ আহ্বান জনায়।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন অহা শনিবাৰে ঝাৰখণ্ডৰ ৰাঁচিলৈ যাব। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে চহৰখনক উৰণ নিষিদ্ধ অঞ্চলৰূপে ঘোষণা কৰিছে। চহৰখনৰ হিনু চ'ক, বীৰচা চ'ক আৰু আৰগোৰা চ'ক সামৰি লোকভৱন আৰু ৰাঁচিস্থিত আই আই এম চৌহদ পৰ্যন্ত আৰু বীৰচা মুণ্ডা বিমান বন্দৰৰ পৰা ২০০ মিটাৰ ব্যাসাৰ্দ্ধক উৰণ নিষিদ্ধ অঞ্চলৰূপে ঘোষণা কৰা হৈছে। শনিবাৰে পুৱা ৬ বজাৰ পৰা নিশা ১০ বজালৈ এই আদেশ বলৱৎ হৈ থাকিব।

ooooo

ভাৰতীয় জনতা পাৰ্টিয়ে পশ্চিমবংগৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ১৯ গৰাকী প্ৰাৰ্থীৰ নাম সম্বলিত আন এখন তালিকা প্ৰকাশ কৰিছে। এই তালিকাত আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত সংঘটিত নিৰ্যাতনৰ ঘটনাৰ বলি চিকিৎসকগৰাকীৰ মাতৃ ৰত্না দেৱনাথক উত্তৰ ২৪ পৰগনাৰ পানীহাটী বিধানসভা সমষ্টিৰ পৰা প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰা হৈছে। ২০২৪ বৰ্ষৰ আগষ্টত চিকিৎসা মহাবিদ্যালয়খনত এগৰাকী কনিষ্ঠ চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ বৰ্বৰ ঘটনা সংঘটিত হৈছিল আৰু সমগ্ৰ দেশতে ন্যায় বিছাৰি প্ৰতিবাদৰ জোৱাৰ উঠিছিল। ৰত্না দেৱনাথে ৰাজ্যখনৰ শাসনাধিষ্ঠিত টি এম চি দলৰ বিৰুদ্ধে সজোৰে প্ৰতিবাদ কৰি আহিছে আৰু চৰকাৰে তেওঁৰ কন্যাৰ ন্যায়ৰ পথত বাধা সৃষ্টি কৰাৰ অভিযোগ উত্থাপন কৰিছে।

কালি প্ৰকাশিত তালিকা অনুসৰি ৰবীন্দ্ৰ নাথ বসুক কোচবিহাৰ দক্ষিণ, ড০ শংকৰ গুচৈইটক মেদিনীপুৰ আৰু বিপ্লৱ মণ্ডলক হাওৰা মধ্য বিধানসভা সমষ্টিৰ পৰা দলীয় প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰা হৈছে।

ooooo

কেৰালামৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন। কালি বিয়লৈ পৰ্যন্ত প্ৰকাশিত তথ্য অনুসৰি ৰাজ্যখনৰ ১৪০টা বিধানসভা সমষ্টিৰ বাবে ৯৮৫ গৰাকী প্ৰাৰ্থী নিৰ্বাচনী ৰণত আছে। এই নিৰ্বাচনৰ বাবে মুঠ দুহেজাৰ ১২৫ খন মনোনয়ন পত্ৰ দাখিল কৰা হৈছিল। ইয়াৰ ভিতৰত এহেজাৰ ৭৫৪ খন মনোনয়ন পত্ৰ বৈধ বুলি বিবেচিত হয় যদিও অন্য ৩৫৭ খনক যাৱতীয় পৰীক্ষাৰ অন্তত অবৈধ ঘোষণা কৰা হয়। কালি বিয়লি পৰ্যন্ত ১৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিছে।

ইপিনে ৰাজ্যখনত বিভিন্ন ৰাজনৈতিক দলৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ জ্যেষ্ঠ নেতাসকলে প্ৰচাৰ অভিযানত জোৰ দিছে। বিধানসভা নিৰ্বাচন সুকলমে সম্পন্ন কৰিবলৈ ৰাজ্যখনৰ আৰক্ষী বিভাগেও তালাচী আৰু সুৰক্ষা কটকটীয়া কৰি তুলিছে। কালি পৰ্যন্ত আৰক্ষীয়ে ১৯ লাখ টকাতকৈও অধিক ধন জব্দ কৰা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

আফগানিস্তান-পাকিস্তান সীমান্তত অস্থায়ী সংঘৰ্ষ বিৰতিৰ ম্যাদ উকলি যোৱাৰ পাছত পুনৰ সংঘৰ্ষ আৰম্ভ হোৱাৰ বাতৰি আহিছে। আফগানিস্তানৰ কুনাৰ প্ৰদেশৰ মুখপাত্ৰ জিয়া উৰ ৰহমান স্পিনঘাৰে প্ৰকাশ কৰা অনুসৰি পাকিস্তানৰ তৰফৰ পৰা নাৰাই আৰু চৰকানো জিলাত গোলা-বাৰুদ নিক্ষেপ কৰা হয় আৰু ইয়াৰ ফলত কমেও দুজন অসামৰিক লোক নিহত হোৱাৰ লগতে আন কেইবাজনো আহত হয়। এই গুলীবৰ্ষণৰ প্ৰত্যুত্তৰত আফগানিস্তানৰ সীমান্ত বাহিনীয়েও গুলী চালনা কৰে। ইয়াৰ ফলত পাকিস্তানৰ এজন লোকৰ মৃত্যু হোৱাৰ লগতে তিনিটা সামৰিক ঘাটি ধবংস হয় বুলি মুখপাত্ৰগৰাকীয়ে দাবী কৰিছে। অৱশ্যে এই সন্দৰ্ভত পাকিস্তানৰ সেনা বাহিনীৰ তৰফৰ পৰা কোনো ধৰণৰ তাৎক্ষণিক মন্তব্য প্ৰকাশ কৰা হোৱা নাই।

ছৌদি আৰব, তুৰস্ক আৰু কাটাৰৰ মধ্যস্থতাত ঈদৰ পূৰ্বে দুয়োপক্ষই এসপ্তাহৰ বাবে সংঘৰ্ষ বিৰামৰ বাবে সন্মত হৈছিল যদিও এই বিৰামৰ ম্যাদ উকলি যোৱাৰ লগে লগে পুনৰ সংঘৰ্ষ আৰম্ভ হয়।

ooooo

ম্যানমাৰক যোৱা নিশা ভাৰতীয় সময় অনুসৰি ৯ বাজি ৩১ মিনিটত ৪ দশমিক ৫ ৰিখ্‌টাৰ স্কেলৰ এটা ভূমিকম্পই জোকাৰি যায়। ৰাষ্ট্ৰীয় ভূকম্পবিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা অনুসৰি স্থলভাগৰ পৰা ১২০ কিলোমিটাৰ গভীৰতাত এই ভূমিকম্পৰ অভিকেন্দ্ৰ চিহ্নিত কৰা হৈছে।

ইয়াৰ পূৰ্বেও যোৱা মঙলবাৰে অঞ্চলটোত ৩ দশমিক ৯ ৰিখ্‌টাৰ স্কেলৰ আন এটা ভূমিকম্প অনুভূত হৈছিল। এই ভূমিকম্পৰ অভিকেন্দ্ৰ স্থলভাগৰ পৰা ৯০ কিলোমিটাৰ গভীৰতাত আছিল বুলি কেন্দ্ৰটোৱে প্ৰকাশ কৰিছিল।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পশ্চিমবংগ আৰু ছিকিমৰ হিমালয়ৰ পাদদেশ অঞ্চলত কাইলৈ পৰ্যন্ত ধাৰাষাৰ বৰষুণৰ আগলি বতৰা প্ৰকাশ কৰিছে। বতৰৰ আগলি বতৰা অনুসৰি অহা ৩টা দিনত দিল্লী, পঞ্জাৱ, হাৰিয়ানা, লাডাখ, চণ্ডীগড়, হিমাচল প্ৰদেশ আৰু জম্মু আৰু কাশ্মীৰত ধুমুহাৰ লগতে বজ্ৰপাতৰ আশংকা আছে। চত্তীশগড়, অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটকৰ অভ্যন্তৰীণ অংশ, তেলেংগানা, বিদৰ্ভ, পশ্চিম ৰাজস্থান আৰু পশ্চিমবংগ তথা ছিকিমৰ অন্য অঞ্চলসমূহতো একেধৰণৰ পৰিৱেশে বিৰাজ কৰিব পাৰে বুলি বিভাগে জানিবলৈ দিছে। অহা ২৮ মাৰ্চ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ লগতে কৰ্ণাটকৰ উপকূলীয় অংশ, গোৱা, মধ্য মহাৰাষ্ট্ৰ আৰু মাৰাঠৱাড়াত ধুমুহা-বৰষুণ আৰু বজ্ৰপাতৰ আশংকা আছে বুলি বতৰ

বিজ্ঞান বিভাগে আগলি বতৰা দিছে। ইপিনে বিভাগটোৰ তথ্য অনুসৰি আজিৰ দিনটোত কেৰালাম, মাহে আৰু গোৱাত গৰম আৰু আৰ্দ্ৰ পৰিৱেশে বিৰাজ কৰিব।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে বেইজিঙত চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ সৈতে হ'বলগীয়া তেওঁৰ বৈঠক অহা ১৪-১৫ মে'লৈ পিছুৱাৰ কথা ঘোষণা কৰিছে। ইৰানত আমেৰিকাৰ সেনাবাহিনীয়ে চলোৱা সামৰিক অভিযানৰ বাবেই মূলতঃ এই বৈঠক পিছুৱাই দিয়া হৈছিল। হোৱাইট হাউছৰ মিডিয়া সচিব কেৰ'লিন লিয়াভিটে প্ৰকাশ কৰা অনুসৰি চলিত সামৰিক অভিযানৰ সময়ত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আমেৰিকাত থকাৰ প্ৰয়োজনৰ বিষয়টো চীনৰ চীনৰ ৰাষ্ট্ৰপতিগৰাকীয়ে উপলব্ধি কৰিছে।

ooooo

ভাৰতৰ ২০ বছৰ অনূৰ্ধ্বৰ পুৰুষ দলটোৱে আজি মালেত পাকিস্তানৰ বিৰুদ্ধে হ'বলগীয়া এখন বহু প্ৰতীক্ষিত খেলেৰে ছাফ আণ্ডাৰ টুৱেণ্টি চেম্পিয়নশ্বিপ ফুটবল প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিব। প্ৰতিযোগিতাত ভাৰতক পাকিস্তান আৰু বাংলাদেশৰ সৈতে গ্ৰুপ-বিত ৰখা হৈছে। ভাৰত অহা শনিবাৰে প্ৰতিযোগিতাত নিজৰ দ্বিতীয়খন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

গ্ৰুপ-বিৰ প্ৰথমখন খেলত বাংলাদেশে পাকিস্তানক ২-০ গ'লত পৰাস্ত কৰিছিল। প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ পাকিস্তানৰ বাবে আজিৰ খেলখন অতি গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে। ভাৰতীয় দলৰ প্ৰশিক্ষক মহেশ গাৱালিয়ে আজিৰ খেলখনত ভাৰতে সুন্দৰ প্ৰদৰ্শন আগবঢ়াব বুলি আশা প্ৰকাশ কৰিছে। সমাগত এ এফ চি আণ্ডাৰ টুৱেণ্টি এছিয়ান কাপ কোৱালিফায়াৰ্ছ প্ৰতিযোগিতাৰ প্ৰস্তুতিৰ বাবে চলিত প্ৰতিযোগিতাখনৰ গুৰুত্ব বৃদ্ধি পাইছে।

ooooo

সমাপ্ত